# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেন্সিং ব্যৱস্থাৰে হায়দৰাবাদৰ জি. এম. আৰ. আকাশক্ষেত্ৰ আৰু ঔদ্যোগিক উদ্যানৰ চফ্ৰান বিমান ইঞ্জিন মেৰামতি গোট উদ্বোধন কৰিব।

২। চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশতে আয়োজন কৰা একতাৰ পদযাত্ৰাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আৰম্ভ হ’ব।

৩। আজি সংবিধান দিৱস। নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অংশগ্ৰহণ কৰিব।

৪। তেলেংগানা ৰাজ্যিক নিৰ্বাচন আয়োগে অহা মাহৰ ১১, ১৪ আৰু ১৭ তাৰিখে তিনিটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে।

*আৰু*

৫। আই চি চি-এ পুৰুষ টি-টুৱেণ্টি বিশ্বকাপ ২০২৬ৰ সূচী ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ’ কনফাৰেন্সিং ব্যৱস্থাৰে হায়দৰাবাদৰ জি. এম. আৰ. আকাশক্ষেত্ৰ আৰু ঔদ্যোগিক উদ্যানৰ চফ্ৰান বিমান ইঞ্জিন মেৰামতি গোট উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে, এছ্ এ ই এছ্ আই  হৈছে চফ্ৰানৰ অত্যাধুনিক বিমান প্ৰপলচন ইঞ্জিনৰ বিশেষ তদাৰক, মেৰামতি আৰু সামগ্ৰিক নিৰীক্ষণ গোট। এই গোটটো ভাৰতত  গোলকীয় ইঞ্জিন মূল যন্ত্ৰাংশ নিৰ্মাণ প্ৰতিষ্ঠানে স্থাপন কৰা প্ৰথমটো তদাৰক, মেৰামতি আৰু সামগ্ৰিক নিৰীক্ষণ গোট। এই গোটটো বিমান পৰিবহন খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দিশে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ’ব।

০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তীৰ লগত সংগতি ৰাখি সমগ্ৰ দেশতে আয়োজন কৰা একতাৰ পদযাত্ৰাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আৰম্ভ হ’ব। চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মস্থান গুজৰাটৰ কৰমচাদৰ পৰা আৰম্ভ হ’বলগীয়া পদযাত্ৰাত কমেও ১৯০ কিলোমিটাৰ সামৰি লোৱা হ’ব। এই পদযাত্ৰা ৬ ডিচেম্বৰত সামৰণি পৰিব। এই কাৰ্যসূচীয়ে দেশক একত্ৰিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনন্দৰ বল্লভ বিদ্যা নগৰত আয়োজিত উদ্বোধনী অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰিব। গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মান্দাভিয়া আৰু নিমুবেন বম্ভানিয়াও এই অনুষ্ঠানত উপস্থিত থাকিব। কেন্দ্ৰীয়

মন্ত্ৰী, মুখ্যমন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী, ৰাজ্যপাল, সাংসদ আদিয়ে প্ৰতিদিনে এই পদযাত্ৰাৰ নেতৃত্ব দিব। এই পদযাত্ৰাৰ সমান্তৰালকৈ জিলাসমূহত উন্নয়নমূলক কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। এই কাৰ্যসূচীসমূহৰ লক্ষ্য হৈছে- নাগৰিকসকলক সংগঠিত কৰা, স্থানীয় উদ্ভাৱনক উদযাপন কৰা আৰু যুৱশক্তিক একত্ৰিত কৰা।

ooooo

আজি সংবিধান দিৱস। এই বছৰৰ সংবিধান দিৱসৰ বিষয়বস্তু হৈছে- **হমাৰা সংবিধান-হমাৰা স্বাভিমান**। এই দিৱসৰ মূল কাৰ্যসূচী নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত আয়োজিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰীসকল আৰু সাংসদসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ নেতৃত্বত সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰা হ'ব। ইয়াৰ উপৰি অসমীয়া, বড়ো, মালায়ালম, নেপালী, পাঞ্জাৱী, কাশ্মীৰি, তেলেগু আৰু উড়িয়া ভাষাত সংবিধানৰ অনুদিত সংস্কৰণ উন্মোচন কৰা হ'ব। ইয়াৰ উপৰি এখন স্মাৰক পুস্তিকাও উন্মোচন কৰা হ'ব।

ooooo

তেলেংগানা ৰাজ্যিক নিৰ্বাচন আয়োগে অহা মাহৰ ১১, ১৪ আৰু ১৭ তাৰিখে তিনিটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। প্ৰতিটো পৰ্যায়ৰ ভোটগ্ৰহণৰ দিনাই ভোটগণনা কৰা হ'ব বুলি আয়োগে জানিবলৈ দিছে। কালি সন্ধিয়া সংবাদমাধ্যমৰ আগত ৰাজ্যিক নিৰ্বাচন আয়ুক্ত ৰাণী কুমুদিনীয়ে কয়, যে কাইলৈৰ পৰা নিৰ্বাচনৰ কাম-কাজ আৰম্ভ কৰা হ'ব। ৰাজ্যখনত ৩১ খন জিলাত ১২ হাজাৰ ৭২৮ সৰপঞ্চ বা গাঁওবুঢ়াৰ আসন আৰু ১ লাখ ১২ হাজাৰ ২৪২টা ৱাৰ্ড পদ আছে। প্ৰথম পৰ্যায়ত ৪ হাজাৰ ২৩৬, দ্বিতীয় পৰ্যায়ত ৪ হাজাৰ ৩৩৩ আৰু তৃতীয় পৰ্যায়ত ৪ হাজাৰ ১৫৯টা পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৭ ডিচেম্বৰৰ ভিতৰত সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন হ'ব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি প্ৰায় ১ কোটি ৬০ লাখ ভোটাৰে এই নিৰ্বাচনত বেলট পেপাৰ ব্যৱহাৰেৰে অংশগ্ৰহণ কৰিব। জনসাধাৰণৰ অভিযোগৰ বাবে ৯২৪০০২১৪৫৬ ট'ল ফ্ৰী নম্বৰৰ উপৰিও শীঘ্ৰেই এটা এপ' মুকলি কৰা হ'ব।

ooooo

আজি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস। শ্বেতবিপ্লৱৰ জনক ভাৰতবৰ্ষৰ দুগ্ধ মানৱ উপাধিৰে বিভুষিত ডঃ ভাৰ্গিছ কুৰিয়ানৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে এই দিৱস উদযাপন কৰা হয়। এই বছৰ ৰাষ্ট্ৰীয় দুগ্ধ দিৱসৰ বিষয়বস্তু হৈছে- দুগ্ধ আৰু দুগ্ধজাত খাদ্যৰ শক্তিক উদযাপন কৰো আহক। এই দিৱস উপলক্ষে নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত মীন, পশুপালন আৰু দুগ্ধ উৎপাদন বিভাগৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা ২০২৫ প্ৰদান কৰিব। একেটা কাৰ্যসূচীতে বিভাগটোক অধিক উজ্জীৱিত কৰাৰ লক্ষ্যৰে কেইবাটাও বিশেষ প্ৰকল্পৰো উদ্বোধন কৰা হ'ব। অসমতো খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই দিৱস উপলক্ষে এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকিব।

ooooo

ভাৰতে আজি ৰাছিয়া নেতৃত্বাধীন ইউৰেছিয়ান অৰ্থনৈতিক সংঘ EAEUৰ সৈতে মুক্ত বাণিজ্য চুক্তিৰ বাবে আনুষ্ঠানিক আলোচনা আৰম্ভ কৰিব। চলিত বৰ্ষৰ ২০ আগষ্টত স্বাক্ষৰিত

হোৱা বিশেষ চুক্তি অনুসৰি নতুন দিল্লীত ৰাছিয়া, আৰ্মেনিয়া, বেলাৰুছ, কাজাখস্তান আৰু কিৰ্গিস্তানকে ধৰি EAEUৰ সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে এই আলোচনা আৰম্ভ হ'ব বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে ঘোষণা কৰিছে। এই চুক্তিয়ে ১৮ মহীয়া ৰোডমেপৰ জৰিয়তে বিশেষকৈ ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, কৃষক আৰু মাছমৰীয়াসকলৰ বাবে ব্যৱসায়ৰ নতুন পথ প্ৰশস্ত কৰিব। আমেৰিকাই আৰোপ কৰা উচ্চ শুল্কৰ মাজতে ভাৰতে নিজৰ ৰপ্তানিৰ নতুন সম্ভাৱনা সৃষ্টিৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপে যথেষ্ট চৰ্চা লাভ কৰিছে। মন্ত্ৰী শ্ৰীগোৱেলে লগতে প্ৰকাশ কৰে যে, ইউৰেছিয়ান অৰ্থনৈতিক সংঘৰ সৈতে আলোচনাৰ বাহিৰেও ভাৰতে আন কেইবাটাও বাণিজ্যিক অংশীদাৰিত্বৰ দিশে আগবাঢ়িছে। দক্ষিণ আফ্ৰিকা, নামিবিয়া, বটছৱানা, লেচোথো আৰু এছৱাটিনিকে ধৰি দক্ষিণ আফ্ৰিকান শুল্ক সংঘ SACUৰ সৈতে বাণিজ্য চুক্তিৰ সম্ভাৱনাৰ বিষয়ে চৰকাৰে চিন্তা-চৰ্চা কৰি থকাৰ বিষয়ে শ্ৰীগোৱেলে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে, যে ১০০ বছৰৰো অধিক পুৰণি SICU  বিশ্বৰ আটাইতকৈ পুৰণি শুল্ক সংঘ। ব্ৰাজিল, আৰ্জেণ্টিনা, উৰুগুৱে আৰু পেৰাগুৱেৰে গঠিত লেটিন আমেৰিকাৰ বাণিজ্যিক গোট মাৰ্কোছুৰৰ সৈতেও ভাৰতে দ্বিতীয় পৰ্যায়ৰ বাণিজ্যিক চুক্তিৰ বাবে আলোচনাত মিলিত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ১৯২২ নম্বৰত মিছডকল দিয়াৰ পাছত লাভ কৰা লিংকৰ  জৰিয়তেও জনসাধাৰণে ২৮ নৱেম্বৰ পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০

অৰুণাচল প্ৰদেশ ভাৰতৰ অবিচ্ছেদ্য অংগ আৰু চীনৰ কোনো অস্বীকাৰে এই বাস্তৱতাক সলনি কৰিব নোৱাৰে বুলি ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে স্পষ্ট কৰিছে। চীনৰ বৈদেশিক মন্ত্ৰালয়ৰ মন্তব্য সন্দৰ্ভত সংবাদমাধ্যমৰ প্ৰশ্নৰ উত্তৰত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে জনাইছে যে, অৰুণাচল প্ৰদেশৰ এজন ভাৰতীয় নাগৰিকক আটক কৰাৰ বিষয়টোক গুৰুত্ব সহকাৰে লোৱা হৈছে। ভাৰতীয় নাগৰিকগৰাকীৰ হাতত বৈধ পাছপ'ৰ্ট আছিল আৰু চাংহাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ হৈ জাপানলৈ যাত্ৰা কৰি আছিল। জয়ছৱালে কয়, যে চীন কৰ্তৃপক্ষই আন্তঃৰাষ্ট্ৰীয় বিমান যাত্ৰা নিয়ন্ত্ৰণ কৰা কেইবাটাও নীতি উলংঘা কৰা তেওঁলোকৰ পদক্ষেপৰ কোনো উপযুক্ত ব্যাখ্যা এতিয়ালৈ আগবঢ়াব পৰা নাই। লগতে চীন

কৰ্তৃপক্ষৰ এই কাৰ্যই সকলো দেশৰ নাগৰিকৰ বাবে ২৪ ঘণ্টালৈকে বিনামূলীয়া ভিছা ট্ৰেনজিটৰ অনুমতি দিয়া তেওঁলোকৰ নিজৰ নিয়মকো উলংঘা কৰিছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আইচিচিয়ে পুৰুষ টি-২০ বিশ্বকাপ ২০২৬ৰ সম্পূৰ্ণ সূচী ঘোষণা কৰিছে। ভাৰত আৰু শ্ৰীলংকাই দ্বিতীয়বাৰলৈ যৌথভাৱে আয়োজন কৰা প্ৰতিযোগিতাখন অহা বৰ্ষৰ ৭ ফেব্ৰুৱাৰীত আৰম্ভ হ’ব।

১৫ ফেব্ৰুৱাৰীত কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত ভাৰত আৰু পাকিস্তানৰ মাজত খেল অনুষ্ঠিত হ'ব। পাকিস্তানে তেওঁলোকৰ সকলো খেল শ্ৰীলংকাত খেলিব।

২০২৬ চনৰ টি-২০ বিশ্বকাপত ২০টা দলে অংশগ্ৰহণ কৰিব আৰু দলকেইটাক চাৰিটা গ্ৰুপত ৰখা হৈছে। ভাৰতক গ্ৰুপ এ'ত চিৰ প্ৰতিদ্বন্দ্বী পাকিস্তান, নেদাৰলেণ্ড, নামিবিয়া আৰু আমেৰিকাৰ সৈতে স্থান দিয়া হৈছে। উল্লেখযোগ্য যে, টি-২০ বিশ্বকাপ বিজয়ী অধিনায়ক ৰোহিত শৰ্মাক এই টি-২০ বিশ্বকাপ ২০২৬ৰ ব্ৰেণ্ড এম্বেছাদৰ হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০

এ এফ চি অনুৰ্ধ ১৭ বছৰ এছিয়ান কাপ ২০২৬ৰ যোগ্যতা নিৰ্ণয়কাৰী এখন খেলত আজি ভাৰত ছাইনীজ টাইপেইৰ সন্মুখীন হ’ব। গ্ৰুপ-ডিৰ খেলখন সন্ধিয়া চাৰে ৭ বজাত আহমেদাবাদত খেলোৱা হ’ব। গুজৰাট ৰাজ্যিক ফুটবল সন্থাই অনুৰাগীসকলৰ বাবে খেলখনৰ বিনামূলীয়া প্ৰৱেশৰ ব্যৱস্থা কৰি সকলোকে ভাৰতীয় দলটোক উৎসাহিত কৰিবলৈ ষ্টেডিয়ামলৈ আহিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, গ্ৰুপ-ডিৰ পইণ্ট তালিকা ভাৰত সম্প্ৰতি চতুৰ্থ আৰু ছাইনীজ টাইপেই পঞ্চম স্থানত আছে। প্ৰতিটো গ্ৰুপৰ বিজয়ীসকলেহে অহা বৰ্ষত চৌদি আৰৱত অনুষ্ঠিত হ’বলগীয়া মূল প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা পাব।

০০০০০

**সমাপ্ত**